# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-JULY-2026
**Time :** 12.05 PM

## ASSAMESE 12.05 PM BULLETIN
——————————————————

১। ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত। সাম্প্ৰতিক বানত ৬ লাখ ৫৪ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন।

২। বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বাবে ফেমিলি কিট বিতৰণৰ ব্যৱস্থা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। চৰকাৰে বান প্ৰভাৱিত এলেকাসমূহত ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে কাম কৰি আছে বুলি কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাৰ প্ৰকাশ।

**আৰু**

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ সাহসী সৈনিকসকলক স্মৰণ।

oooooo

ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে। অৱশ্যে এতিয়াও ১০ খন জিলাৰ ৮১০ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৬ লাখ ৫৪ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ৩ জন আৰু চৰাইদেউত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬৫ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৩৪,৯৭০ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে।

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে।

চৰাইদেউ জিলাৰ সাম্প্ৰতিক বানত ১৫১ খন গাঁৱৰ কেইবালাখো লোক প্ৰভাৱিত হৈছে। বানত খেতিপথাৰ সম্পূৰ্ণ ৰূপে ধ্বংস হোৱাৰ উপৰি ভালেসংখ্যক পশুধনৰ হানি হৈছে। জিলাখনত বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১৫ লৈ বৃদ্ধি পাইছে। জিলাপ্ৰশাসনে ইতিমধ্যে নিহতসকলৰ পৰিয়ালক এককালিন সাহায্য বিতৰণ কৰিছে।

-বাইট-

গোলাঘাট জিলাত বান পৰিস্থিতি অপৰিবৰ্তিত হৈ আছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে জিলাখনৰ চাৰিটা ৰাজহ চক্ৰৰ ১১৭ গাঁও বানত বুৰ গৈ আছে। জিলা প্ৰশাসনে আজি পুৱা প্ৰকাশ কৰা তথ্য অনুসৰি গোলাঘাট ৰাজহ চক্ৰৰ ৩৩খন, ডেৰগাঁৱৰ ৪৩খন, খুমটাইৰ ২০খন আৰু বোকাখাট ৰাজহ চক্ৰৰ ২১খন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। বানত ৪০,৮৩০ জন লোক প্ৰভাৱিত হৈছে। এইবাৰৰ বানত জিলাখনত ২৯৬৯ দশমিক ৪-৪ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বান ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে স্থাপন কৰা ১৩টা সাহায্য শিবিৰত ১২১০ জন লোক আশ্ৰয় লৈ আছে।

ইপিনে চুবুৰীয়া নাগালেণ্ডৰ দৈয়াং জলবিদ্যুত প্ৰকল্পৰ জলপৃষ্ঠ আজি পুৱাৰ ভাগত ৩২২.৮০ মিটাৰলৈ বৃদ্ধি পোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে। প্ৰকল্পটোৰ চাৰিখন স্পীলৱে গেটেৰে পানী এৰি দিয়া হৈছে। প্ৰকল্পটোৰ পৰা প্ৰতি ছেকেণ্ডত ১৫০.৬১ ঘনমিটাৰ পানী এৰি দিয়া হৈছে। দৈয়াং নদীৰ জলপৃষ্ঠ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত গোলাঘাট জিলাৰ নামনি অঞ্চলত জিলা প্ৰশাসনে জনসাধাৰণক সতৰ্ক হৈ থাকিবলৈ আহবান জনাইছে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আগষ্টৰ ভিতৰত বান প্ৰভাৱিতসকলৰ পুনৰ্বাসনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি প্ৰকাশ কৰিছে। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বানৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ এটা প্ৰতিনিধি দল ৰাজ্যত উপস্থিত হৈছে। ইয়াৰ উপৰি সকলো বিভাগৰ মন্ত্ৰীসকলক ক্ষয়-ক্ষতিৰ মূল্যায়নৰ লগতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দায়িত্ব অৰ্পণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

ড০ শৰ্মাই ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হোৱা বুলি উল্লেখ কৰি কয় যে পানী হ্ৰাস পোৱাৰ ফলত এতিয়া শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অতি ভিতৰুৱা অঞ্চলসমূহলৈয়ো সাহায্য সামগ্ৰী প্ৰেৰণ কৰিব পৰা যাব। বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত এই জিলা ২ খনৰ প্ৰভাৱিত লোকসকলৰ বাবে চৰকাৰে ফেমিলি কিট বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

-বাইট- (চি এম)

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাৰ্গিল বিজয় দিৱস উপলক্ষে দেশৰ সাহসী সৈনিকসকলক স্মৰণ কৰে। তেওঁ কয় যে দেশে প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন, ৰপ্তানী অথবা মৈত্ৰী ৰাষ্ট্ৰসমূহৰ সৈতে ৰাজনৈতিক সহযোগিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত অবিৰতভাৱে নতুন শিখৰত উপনীত হৈছে। তেওঁ কয়, যে কাৰ্গিল বিজয় দিৱস উদযাপন কৰাৰ বাবেই ২৬ জুলাইৰ দিনটো মনত ৰাখিবলৈ দিনপঞ্জীৰ প্ৰয়োজন নহয়। শ্ৰীমোদীয়ে কয়, যে এই দিনটোৱে সকলোৰে মন গৌৰৱৰ ভাৱনাৰে ভৰাই তোলে আৰু জনসাধাৰণক দেশৰ বীৰ সৈনিকৰ অসীম সাহসৰ বিষয়ে সোঁৱৰাই দিয়ে। ছহিদসকলৰ প্ৰতি প্ৰণিপাত জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁলোকে দেশমাতৃৰ বাবে সৰ্বোচ্চ ত্যাগ কৰি গৈছে। শ্ৰীমোদীয়ে সকলোকে ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ আৰু নিৰাপদ, সামৰ্থবান আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সংকল্প সুদৃঢ় কৰিবলৈ আহ্বান জনায়। কাৰ্গিল বিজয় দিৱসৰ লগত সংগতি ৰাখি যোৱা ১৪ জুলাইত দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকৰ পৰা বিশেষ শৌৰ্য্য বিজয় যাত্ৰা উলিওৱা হৈছে আৰু আজি মটৰ চাইকেল শোভাযাত্ৰা ড্ৰাছত থকা কাৰ্গিল যুদ্ধস্মাৰকত উপস্থিত হ'ব। তেওঁ কয়, যে এটা যাত্ৰা-এখন ৰাষ্ট্ৰ–একে ধৰণৰ অভিবাদন বাৰ্তাৰে উলিওৱা এই যাত্ৰাই সকলোকে এই কথা সোঁৱৰাই দিয়ে যে ৰাষ্ট্ৰৰ বাবে কৰা ত্যাগৰ বিষয়ে কেতিয়াও পাহৰিব নোৱাৰি। দেশে অহৰহভাৱে প্ৰযুক্তিগত সামৰ্থ বৃদ্ধি কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অলপতে আই এন এছ মহেন্দ্ৰগিৰি নামৰ দেশতে নিৰ্মিত এখন অত্যাধুনিক যুদ্ধজাহাজ নৌসেনাত অন্তৰ্ভুক্ত কৰা হৈছে। জাহাজখনত ব্যৱহৃত ৭৫ শতাংশৰো অধিক সামগ্ৰী স্বদেশী বুলি প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে জাহাজখনক আত্মনিৰ্ভৰ ভাৰতৰ বৰ্ধিত শক্তিৰ প্ৰতিক বুলি অভিহিত কৰে।

০০০০০০

চৰকাৰে বান প্ৰভাৱিত এলেকাসমূহত ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে কাম কৰি আছে বুলি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা  ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই প্ৰকাশ কৰিছে। ক্ষতিগ্ৰস্ত এলেকাত বাহৰ পাতি থকা মন্ত্ৰীগৰাকীয়ে কালি কয়, যে স্বাস্থ্য বিভাগে বানৰ কবলত পৰা এলেকাসমূহত ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে অহৰ্নিশে কাম কৰি আছে। মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁ বান প্ৰভাৱিত এলেকাসমূহলৈ প্ৰেৰণৰ বাবে ১০ হাজাৰ কিলোগ্ৰাম ব্লিচিং পাউদাৰ আৰু

চাৰে ৭ হাজাৰ লিটাৰ ফেনাইলৰ ব্যৱস্থা কৰিছে। ৰাইজৰ আন প্ৰতিনিধিসকলেও সম্ভাব্য ৰোগৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণ কৰাৰ বাবে নিজাববীয়াকৈ চেষ্টা চলাইছে বুলি তেওঁ উল্লেখ কৰে। প্ৰভাৱিত লোকৰ বাবে সাহায্য সন্দৰ্ভত শ্ৰীমাৰ্ঘেৰিটাই কয়, যে সাহায্য সামগ্ৰীৰ কোনো ধৰণৰ নাটনি হোৱা নাই। চৰকাৰৰ উপৰি ভালেমান সংস্থাই প্ৰভাৱিত লোকসকললৈ সহায় আগবঢ়োৱাৰ বাবে আগবাঢ়ি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে পানী শুকুৱাবলৈ লৈছে যদিও জনসাধাৰণৰ দুৰ্দশা কম হোৱা নাই আৰু চৰকাৰী সংস্থাসমূহে ঠাইতে গৈ ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰি আহিছে। তেওঁ কয়, যে কাপোৰ, শিক্ষাৰ্থীৰ বাবে কিতাপ আঁঠুৱাৰ প্ৰয়োজন বাৰুকৈ অনুভৱ কৰা হৈছে।

০০০০০০

পাকিস্তানৰ সৈতে যোগসূত্ৰ থকাৰ অভিযোগত কালি অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে ধুবুৰীৰ এজন যুৱকক আটক কৰে। ধৃত যুৱক জন ধৰ্মশালা গাঁও পঞ্চায়তৰ বেপাৰীপাৰাৰ এক্ৰামূল ইছলাম বুলি আৰক্ষীয়ে জনাইছে। বিশেষ কাৰ্যবাহিনীয়ে ইতিমধ্যে অধিক সোধাপোছাৰ বাবে যুৱকজনক গুৱাহাটীলৈ লৈ আহে। পাকিস্তানৰ সৈতে সংযোগ থকা বুলি সন্দেহ কৰা এখন মবাইল ছিম কাৰ্ড পুনৰ সক্ৰিয় হোৱাৰ পাছতে আৰক্ষীয়ে অভিযান চলাই যুৱকজনক আটক কৰে। তদন্তকাৰী সংস্থাৰ প্ৰাৰম্ভিক তথ্যত প্ৰকাশ পোৱা মতে কেৰালাত শিক্ষা গ্ৰহণ কৰা এক্ৰামূলে পূৰ্বে ব্যৱহাৰ কৰা এখন ছিম কাৰ্ডৰ জৰিয়তে পাকিস্তানৰ সন্দেহযুক্ত সন্ত্ৰাসবাদী নেটৱৰ্কৰ সৈতে যোগাযোগ কৰিছিল।

০০০০০০

ভাৰতে কালি হাৰাৰেত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ঘৰুৱা দল জিম্বাৱ্‌ৱেক ৯০ ৰানত পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। জিম্বাৱ্‌ৱে ২২০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ অভিষেক শৰ্মাই তিনিটা উইকেট দখল কৰে। প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় খেলত অৱতীৰ্ণ য়ছ্ ঠাকুৰ আৰু প্ৰিন্স যাদৱে দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২১৯ ৰান কৰে। ভাৰতৰ হৈ ঈশান কিষানে ৪৪টা বলত ৮১ ৰান আৰু তিলক বাৰ্মাই ২৯টা বলত ৬০ ৰান কৰে।

০০০০০০

**সমাপ্ত**